# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::::**

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমত নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীত কটকটীয়া নিৰপত্তা বেষ্টনী ।

২। নিৰ্বাচনৰ প্ৰাকক্ষণত আন্তঃৰাজ্যিক তথা আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত সম্ভাব্য কুটাঘাটমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ ৰাজ্যত কঠোৰ পদক্ষেপ গ্ৰহণ।

৩। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে দেশত বিধি বলৰৎকাৰী সংস্থাসমূহৰ ৪ হাজাৰ ৬৫০ কোটি টকাতকৈ অধিক মূল্যৰ সামগ্ৰী জব্দ ।

৪। সাদিনীয়া ৰঙালী বিহুৰ তৃতীয় দিনটোত আজি গোসাঁই বিহু হিচাপে পালন ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসমতো বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে কাইলৈ সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰ পৰা কইনাধৰালৈ যাত্ৰা কৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও পথত বাণিজ্যিক যান-বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তেওঁ পৰহিলৈ কোকৰাঝাৰ, বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

এই প্ৰচাৰ কাৰ্যসূচীক কেন্দ্ৰ কৰি নলবাৰী জিলাত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। জিলাখনত নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত জিলাখনৰ সংবাদদাতা ৰমেন কলিতাই এইদৰে কয়।

***ভইচ কাষ্ট***

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ১৮ এপ্ৰিলত  কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ যোৰহাটত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ  ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব।

ইপিনে  ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি মাকুমত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে ডিগবৈৰ বৰবিল হনুমান মন্দিৰৰ পৰা গান্ধী ময়দানলৈ এটা পদযাত্ৰাতো অংশ লয়। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি হোজাইৰ লামডিঙত এখন জনসভাত অংশগ্ৰহণ কৰে। তেওঁ শোণিতপুৰৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈও তেজপুৰত ৰোড শ্ব'ত অংশ লয়।

আনহাতে, কংগ্ৰেছ তথা বিৰোধী দলৰ প্ৰাৰ্থীসকলেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। যোৰহাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি তিতাবৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ডিব্ৰুগড় সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে তিনিচুকীয়াৰ কেইবাটাও স্থানত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি ধুবুৰী সমষ্টিৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ মানকাচৰত প্ৰচাৰ চলায়।

০০০০

ৰাজ্যত সমাগত লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সূচাৰুৰূপে সম্পন্ন কৰিবলৈ আয়োগে নিৰাপত্তা আৰু অন্যান্য দিশসমূহো সুক্ষ্মভাৱে তদাৰক কৰি আছে। নিৰ্বাচনত স্পৰ্শকাতৰ হিচাপে বিবেচিত হবলগীয়া ভোটকেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে কেন্দ্ৰৰ ভিতৰে বাহিৰে চি এ পি এফ অৰ্থাৎ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োগ কৰা হব। তদুপৰি ই ভি এম সমূহ অনা নিয়া কৰা বাহনসমূহত জিপিএছ সংলগ্ন কৰি ৰখা হ'ব। প্ৰায় ২০ হাজাৰখন বাহনত জিপিএছ ট্ৰেকিঙৰ ব্যৱস্থা থাকিব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে, এতিয়ালৈকে নিৰাপত্তা বাহিনীৰ ৬০ টা কোম্পানী নিয়োগৰ ব্যৱস্থা কৰা হৈছে আৰু আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত জনসাধাৰণৰ আহ-যাহৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখা হৈছে। তেওঁ কয় যে এইবাৰ ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন লোকসকলে ব্ৰেইল পদ্ধতিৰে ভোট দিব পাৰিব। তদুপৰি জ্যেষ্ঠ নাগৰিক, সন্তানসম্ভৱা আৰু দিব্যাংগসকলক অপেক্ষা নকৰাকৈ ভোটদানৰ সুবিধা প্ৰদান কৰা হব। আনহাতে, ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু শাৰিৰীক প্ৰতিবন্ধকতা থকা লোকসকলক তেওঁলোকৰ ইচ্ছা অনুসাৰে নিজৰ বাসগৃহৰ পৰা ভোটদানৰ সুবিধা দিয়া হৈছে। ইপিনে, ৰাজ্যখনত নিৰ্বাচন প্ৰযুক্তিৰ সহায়ত পৰিচালনাৰ বাবে আয়োগে ভালেমান অত্যাধুনিক ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ইৰোনেট নামৰ ছফটৱেৰৰ ব্যৱহাৰৰ উপৰি ৰাজ্যখনত নিৰ্বাচন আচৰণবিধি উলংঘাৰ ঘটনা পৰিলক্ষিত হোৱা মাত্ৰেই নিৰ্বাচন আয়োগক অৱগত কৰিবলৈ চি ভিজিল এপ জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। এই এপত পঞ্জীয়ন হোৱা ৯০ শতাংশ গোচৰ লাভ কৰাৰ এশ মিনিটৰ ভিতৰত নিষ্পত্তি কৰা হৈছে। ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰ নতুন ভোটদাতা আছে আৰু তেওঁলোকক সৰ্বোত্তম গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে উৎসাহিত কৰিবলৈ

ভালেমান সজাগতামূলক কাৰ্যসূচী লোৱা হৈছে। ভোটদান সৰ্বাত্মক কৰি তোলাৰ বাবে ছুইপ কাৰ্যসূচীৰ অধীনত জিলা প্ৰশাসনসমূহে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

আনহাতে, এইবাৰ নিৰ্বাচনত নিয়োজিত হবলগীয়া কৰ্মচাৰীসকলে নিৰ্বাচনৰ দিনটোৰ বাবে মৰগীয়া বানচ লাভ কৰাৰ উপৰি পৰিবহনৰ সুবিধা আৰু থকা খোৱাৰ ব্যৱস্থা লাভ কৰিব। একেদৰে, নিৰ্বাচনী দায়িত্বত নিয়োজিত ব্যক্তি অসুস্থ হলে তেওঁলোকক আয়ুষ্মান ভাৰত জন আৰোগ্য যোজনাৰ অধীনত বিনামুলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। নিৰ্বাচনী দায়িত্বত নিয়োজিত কোনো ব্যক্তিৰ দুৰ্ঘটনাগ্ৰস্ত হ'লে বা তেওঁলোকৰ প্ৰাণহানি হলেও তৎকালিনভাৱে পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। ইফালে, নিৰ্বাচনৰ সময়ত নিৰাপত্তাৰ দিশটোত বিশেষভাৱে দৃষ্টি ৰখা হৈছে। আন্তঃৰাজ্যিক তথা আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত সম্ভাব্য কুটাঘাটমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ কঠোৰ পদক্ষেপ লোৱা হৈছে। বাক্সা জিলাৰ ভাৰত ভূটান সীমান্ততো এনে ধৰণৰ নিৰাপত্তাজনিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত জিলাখনৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া কৃষ্ণা বৰুৱাই এইদৰে কয়।

ঃঃ ভইছ ঃঃ

০০০০

লোকসভা নিৰ্বাচনৰ ৭৫ বছৰীয়া ইতিহাসত বিধি বলৱৎকাৰী সংস্থাসমূহে এইবাৰ অভিলেখ পৰিমাণৰ ধন জব্দ কৰিছে। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে সংস্থাসমূহে যোৱা ১ মাৰ্চৰ পৰা প্ৰতিদিনে এশ কোটি টকা জব্দ কৰিছে। দেশৰ নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিধি বলৱৎকাৰী সংস্থাসমূহে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ পূৰ্বে এই পৰ্যন্ত দেশত ৪ হাজাৰ ৬৫০ কোটি টকাতকৈ অধিক মূল্যৰ সামগ্ৰী জব্দ কৰিবলৈ সমৰ্থ হৈছে। তথ্য অনুসৰি ৩৯৫ কোটিৰো অধিক ধনৰ লগতে ৪ হাজাৰ ৮৯ কোটি টকা মূল্যৰ সুৰা জব্দ কৰা হৈছে । ইয়াৰ লগতে ৫৬২ কোটি টকা মূল্যৰ সোণ আৰু এহেজাৰ ১৪২ কোটি টকা মূল্যৰ অন্যান্য সামগ্ৰী জব্দ কৰা হৈছে।

উল্লেখযোগ্য যে ২০১৯ চনৰ নিৰ্বাচনৰ সময়ত আয়োগে ৩ হাজাৰ ৪৭৫ কোটি মূল্যৰ সামগ্ৰী জব্দ কৰিছিল। আয়োগে প্ৰকাশ কৰা মতে অবৈধ ধনৰ বিৰুদ্ধে আয়োগৰ স্থিতি পৰৱৰ্তী সময়তো কঠোৰ হৈ থাকিব আৰু অভিযান অব্যাহত থাকিব।

০০০০

ৰাজ্যখনৰ প্ৰথম পৰ্যায়ত ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনলৈ মাজত মাত্ৰ ৩ টা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হবলগীয়া জিলাসমূহৰ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰাৰ উপৰি এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯ এপ্ৰিলত নিৰ্বাচন হবলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত নিৰ্বাচনী পৰিপ্ৰেক্ষিতত ১৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সুৰাজাতীয় সামগ্ৰী বিক্ৰী কৰা পাইকাৰী আৰু খুচুৰা বিপনী তথা দেশীয় সুৰাৰ দোকানসমূহ বন্ধ থাকিব। এই আদেশ উলংঘাকাৰীৰ বিৰুদ্ধে অসম আৰকাৰী আইনৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও জিলাসমূহত যাৱতীয় ব্যৱস্থা লোৱা হৈছে। দ্বিতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কৰিমগঞ্জত অহা ১৮ এপ্ৰিলৰ পৰা প্ৰিজাইদিং আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হ'ব। এই শিবিৰ দিনৰ ১০ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মুকলি থাকিব।

০০০০

সাদিনীয়া ৰঙালী বিহুৰ তৃতীয় দিনটো আজি ৰাইজে পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰিছে। সেই অনুসৰি অসমৰ ৰাইজে ৰাজহুৱা নামঘৰ, সত্ৰ আদিত নাম-প্ৰসংগ কৰে। বটদ্ৰৱা, মাজুলী, আৰু বৰপেটা সত্ৰৰ উপৰি মঠ-মন্দিৰ, দেৱালয়সমূহত ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধামৰ উপৰি অন্যান্য উপাসনা স্থানসমূহতো ভালেসংখ্যক ভক্তই ভিৰ কৰে।

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে।

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই আজি গণেশগুৰি ৰঙালী বিহু সন্মিলনত অংশগ্ৰহণ কৰিব। ৰাজ্যপালগৰাকীয়ে ভাষণ আগবঢ়োৱাৰ পাছত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে।

আনহাতে, শিৱসাগৰৰ তলাতল ঘৰ প্ৰাংগনত মুকলি বিহু অনুষ্ঠিত হৈছে। বিহুৰ সৈতে সংগতি ৰাখি কণী যুঁজ, বিহু হুঁচৰীৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ নগৰত বৰ্ডিং খেলপথাৰত মুকলি বিহু অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিহু হুঁচৰীৰ লগতে কেইবাটাও সাংস্কৃতিক দলে জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

০০০০

ৰাজ্যখনৰ বড়ো জনগোষ্ঠী অধ্যুষিত অঞ্চলসমূহৰ জনসাধাৰণে বিহুৰ সমান্তৰালভাৱে ব্যাপক উৎসাহ উদ্দীপনাৰে তেওঁলোকৰ কৃষিভিত্তিক উৎসৱ ৰংজালি বৈশাগু পালন কৰিছে। এই উপলক্ষে খাম, চিফুং, জটা, চেৰজাৰ শব্দত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। বড়ো লোকসকলে এই উৎসৱ উপলক্ষে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰাৰ লগতে নৃত্য গীতেৰে আনন্দমুখৰ পৰিবেশৰ সৃষ্টি কৰিছে। পৰম্পৰা অনুযায়ী বিভিন্ন ঠাইত ঘৰে ঘৰে গৈও তেওঁলোকে নৃত্য পৰিবেশন কৰে। সদৌ বড়ো ছাত্ৰ সন্থা চমুকৈ আবছুৰ উদ্যোগত কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত মুকলি বৈশাগু উৎসৱৰ আয়োজন কৰা হৈছে। এই উৎসৱত জনগোষ্ঠীটোৰ বিভিন্ন বয়সৰ লোকে ৰং বিৰঙী পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি অংশ লৈছে।

০০০০

ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰৰ সময়ত বিজেপিয়ে নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা কৰা বুলি আম আদমী পাৰ্টীয়ে দলটোৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে। আয়োগলৈ দলে প্ৰেৰণ কৰা এখন পত্ৰত যোৰহাট সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ সমৰ্থনৰ সাংবাদিকৰ সৈতে মত বিনিময়ৰ এটা কাৰ্যসূচীৰ সময়ত এজন লোকে ধনৰ লেনদেন কৰা দৃশ্য কেমেৰাত ধৰা পৰা বুলি উল্লেখ কৰিছে। এই কাৰ্যই নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰা বুলি দলটোৱে অভিযোগ তোলে। আনহাতে ধনৰ লেনদেনত জড়িত এই ব্যক্তিজনৰ বিজেপিৰ শীৰ্ষ নেতৃত্বৰ সৈতে যোগাযোগ ৰখাৰ তথ্য আছে বুলিও পত্ৰখনত উল্লেখ কৰা হৈছে। দলটোৱে আয়োগক এই ক্ষেত্ৰত বিজেপি, সমষ্টিটোৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ আৰু সংশ্লিষ্ট সকলোৰে বিৰুদ্ধে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০

অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১০২ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত অসমৰ ৫ খন, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মেঘালয়ৰ দুখনকৈ আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

উল্লেখযোগ্য যে, সংশোধিত চূড়ান্ত ভোটদাতা তালিকা অনুসৰি অসমত ২ কোটি ৪৩ লাখতকৈ অধিক ভোটদাতা আছে। ইয়াৰে ১ কোটি ২১ লাখ ৭৯ হাজাৰতকৈ অধিক পুৰুষ আৰু ১ কোটি ২১ লাখতকৈ অধিক মহিলা ভোটদাতা। তদুপৰি ৪১৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰতকৈ অধিক নতুন ভোটদাতা আছে। একেদৰে, ২ লাখ ৭২ হাজাৰতকৈ অধিক অশীতিপৰ ভোটদাতা থকা বুলি নিৰ্বাচন আয়োগৰ সূত্ৰত প্ৰকাশ পাইছে।

উত্তৰ পূৰ্বাঞ্চলৰ নিৰ্বাচন অনুষ্ঠিত হবলগীয়া আটাইকেইখন ৰাজ্যতে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। মিজোৰামত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাৰ উপৰি সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মিজোৰামৰ আৰক্ষী সঞ্চালক প্ৰধানে প্ৰকাশ কৰা মতে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনত নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে চি এ পি এফৰ ১২ টা কোম্পানী নিয়োগ কৰিছে। তদুপৰি ৰাজ্যখনত নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হৈছে। স্পৰ্শকাতৰ হিচাপে চিহ্নিত ১৯ টা কেন্দ্ৰৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি আন্তৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহতো নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। ৰাজ্যখনত ৮ লাখ ভোটদাতাই এহেজাৰ ২৭৬ টা ভোটকেন্দ্ৰত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ